# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
**0000000000**

**Date :** 06-10-2024
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

## HEADLINES

::::::::::::::::::::

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে কালি খাদী ইণ্ডিয়াক সামগ্ৰী বিক্ৰীৰ ক্ষেত্ৰত নতুন অভিলেখ গঢ়াৰ বাবে অভিনন্দন জনাইছে।

২। মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জু আজি পাঁচদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হ'ব।

৩। হাৰিয়ানা বিধানসভাৰ ৯০ খন আসনৰ বাবে কালি অনুষ্ঠিত নিৰ্বাচনত প্ৰায় ৬৭ শতাংশ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰে। **আৰু**

৪। ডুবাইত হ'বলগীয়া মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেল ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হ'ব।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহে কালি খাদী ইণ্ডিয়াক বিক্ৰীৰ ক্ষেত্ৰত নতুন অভিলেখ গঢ়াৰ বাবে অভিনন্দন জনাইছে। গান্ধী জয়ন্তী উপলক্ষে নতুন দিল্লীৰ খাদী ভৱনত মাত্ৰ এদিনতে দুই কোটি এক লাখ ৩৭ হাজাৰ টকাৰ সামগ্ৰী বিক্ৰী হয়। সামাজিক মাধ্যমত দিয়া এটা বাৰ্তাত প্ৰধানমন্ত্ৰীয়ে এই কৃতিত্বক উৎসাহজনক বুলি অভিহিত কৰে। শ্ৰী মোদীয়ে আনন্দ প্ৰকাশ কৰি কয় যে, এই কৃতিত্বই খাদীৰ সৈতে জড়িত শিপিনীসকলকো সহায় কৰিব। ইপিনে, কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে খাদী আৰু স্থানীয় সামগ্ৰী ক্ৰয়ৰ বাবে কৰা আবেদন বৈপ্লৱিক বুলি মন্তব্য কৰে। তেওঁ লগতে কয় যে, শ্ৰী মোদীৰ নেতৃত্বত আজিৰ দিনত খাদী উদ্যোগে এটা নতুন অভিলেখ সৃষ্টি কৰিবলৈ সক্ষম হৈছে।

০০০০০

মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জু আজি পাঁচদিনীয়া ভ্ৰমণসূচীৰে নতুন দিল্লীত উপস্থিত হ'ব। এই ভ্ৰমণৰ সময়ছোৱাত মালদ্বীপৰ ৰাষ্ট্ৰপতিগৰাকীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰিব। তেওঁ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সাক্ষাৎ কৰি পাৰস্পৰিক স্বাৰ্থজড়িত দ্বিপাক্ষিক ক্ষেত্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় বিভিন্ন বিষয়লৈ আলোচনা কৰিব। ড০ মুইজ্জুৱে বেংগালুৰু আৰু মুম্বাইত উদ্যোগপতিসকলৰ সৈতে বৈঠকত মিলিত হ'ব।

উল্লেখযোগ্য যে মালদ্বীপ ভাৰত মহাসাগৰ সামুদ্ৰিক ক্ষেত্ৰৰ এখন গুৰুত্বপূৰ্ণ চুবুৰীয়া ৰাষ্ট্ৰ। ৰাষ্ট্ৰখনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক সকলো সামুদ্ৰিক ক্ষেত্ৰৰ সুৰক্ষা আৰু বিকাশ চমুকৈ সাগৰ কাৰ্যসূচীৰ লগতে ভাৰতৰ চুবুৰীয়া প্ৰথম নীতি ৰূপায়ণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে এই ভ্ৰমণে দেশ দুখনৰ মাজৰ সহযোগিতামূলক সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ লগতে উভয় দেশৰ জনসাধাৰণৰ মাজৰ সম্পৰ্ককো নতুন গতি দিব বুলি আশা কৰা হৈছে। ইয়াৰ পূৰ্বে মালদ্বীপৰ ৰাষ্ট্ৰপতিগৰাকী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু মন্ত্ৰীসভাৰ সদস্যসকলৰ শপতগ্ৰহণ অনুষ্ঠানত ভাগ লোৱাৰ উদ্দেশ্যে ভাৰতলৈ আহিছিল।

০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে নতুন দিল্লীত কালি এটা ব্যক্তিগত অনুষ্ঠানত ভাষণ দি কয় যে, উত্তৰ-পূৰ্বাঞ্চল দেশৰ হৃদয় আৰু আত্মা। তেওঁ কয় যে, উত্তৰ-পূব কেৱল ভৌগোলিক অঞ্চল নহয় বৰঞ্চ ভাৰতৰ সাৰমৰ্মক মূৰ্ত কৰি তোলা সংস্কৃতি, পৰম্পৰা আৰু প্ৰাকৃতিক সৌন্দৰ্যৰ এখন সজীৱ ছবি। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ চহকী আধ্যাত্মিক আৰু প্ৰাকৃতিক ঐতিহ্য তথা ইয়াৰ সজীৱ সংস্কৃতি, খাদ্যাভ্যাস আৰু মানৱীয় শক্তিৰ প্ৰশংসা কৰে। শেহতীয়াকৈ অসমীয়া ভাষাটো ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি পোৱাৰ বিষয়তো উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে আলোকপাত কৰে। তেওঁ কয় যে এই স্বীকৃতিয়ে দেশৰ চহকী ঐতিহ্য, বৈচিত্ৰ্য তথা সংস্কৃতি প্ৰদৰ্শন কৰে। সংবাদ মাধ্যমৰ সন্দৰ্ভত ভাষণ দি উপ-ৰাষ্ট্ৰপতি শ্ৰী ধনখড়ে সংবাদদাতাসকলক উত্তৰ-পূৰ্বাঞ্চলৰ ৰাষ্ট্ৰদূত হ'বলৈ আৰু পৰ্যটন তথা উন্নয়নৰ ক্ষেত্ৰত অঞ্চলটোৰ সম্ভাৱনাক বিশ্বৰ সন্মুখত দাঙি ধৰিবলৈ আহ্বান জনায়।

ooooo

কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি তিনিদিনীয়া ভ্ৰমণসূচীৰে জাৰ্মানীলৈ যাব। ভ্ৰমণৰ সময়ছোৱাত মন্ত্ৰীগৰাকীয়ে হেমবাৰ্গ স্থায়ী বিকাশ সন্মিলনত ভাগ ল'ব। শ্ৰী যোশীয়ে জাৰ্মানী, লণ্ডনৰ মন্ত্ৰী আৰু আন বহু জ্যেষ্ঠ বিষয়াৰ সৈতে স্থায়ী বিকাশ, সেউজ হাইড্ৰ'জেন আৰু নৱীকৰণযোগ্য শক্তিৰ সন্দৰ্ভত দ্বিপাক্ষিক শৃংখলাৰ বৈঠকত ভাগ ল'ব। মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণৰ জৰিয়তে ভাৰত-জাৰ্মানীৰ সম্পৰ্ক সুদৃঢ় কৰাৰ লগতে ব্যৱসায়ৰ সুযোগ বৃদ্ধি তথা ভাৰত আৰু সমগ্ৰ বিশ্বতে নৱীকৰণযোগ্য শক্তিৰ সম্প্ৰসাৰণ ত্বৰান্বিত কৰাৰ লক্ষ্য লোৱা হৈছে।

ooooo

এখন দেশ এটা নিৰ্বাচনৰ উচ্চ পৰ্যায়ৰ সমিতিৰ নেতৃত্ব দিয়া প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দে কৈছে যে, দেশে বিকশিত ভাৰতৰ অবিৰত যাত্ৰাত এখন দেশ এটা নিৰ্বাচন নীতি গ্ৰহণ কৰিলে লাভৱান হ'ব। নতুন দিল্লীত ৩০ সংখ্যক লাল বাহাদুৰ শাস্ত্ৰী স্মৃতিচাৰণ বক্তৃতা প্ৰদান কৰি প্ৰাক্তন ৰাষ্ট্ৰপতিগৰাকীয়ে এই মন্তব্য কৰে। শ্ৰীকোবিন্দে লগতে কয় যে উন্নত শাসন ব্যৱস্থা, নীতিৰ স্থিতিশীলতা, সামাজিক একতা, অৰ্থনৈতিক বৃদ্ধি আৰু বৰ্ধিত প্ৰতিযোগিতামূলক ক্ষমতাৰ ক্ষেত্ৰত এখন দেশ এটা নিৰ্বাচন নীতিয়ে সহায় কৰিব। তেওঁ লগতে কয় যে, ই অধিক সৰ্বাংগীন আৰু সমৃদ্ধিশালী ভৱিষ্যতৰ ক্ষেত্ৰতো মুখ্য ভূমিকা পালন কৰিব।

ooooo

হাৰিয়ানা বিধানসভাৰ ৯০ খন আসনৰ বাবে কালি অনুষ্ঠিত নিৰ্বাচনত প্ৰায় ৬৭ শতাংশ ভোটদাতাই ভোটাধিকাৰ সাব্যস্ত কৰে। এটা পৰ্যায়ত অনুষ্ঠিত এই ভোটগ্ৰহণ যথেষ্ট শান্তিপূৰ্ণ আছিল। সকলো বয়সৰ ভোটদাতাই নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰাৰ বাবে ভোটগ্ৰহণ কেন্দ্ৰসমূহত দীঘলীয়া শাৰি পতা পৰিলক্ষিত হয়। উল্লেখযোগ্য যে কালিৰ নিৰ্বাচনত ১০০ বছৰ ঊৰ্ধৰ ভোটদাতাৰ লগতে বহুসংখ্যক বয়োজ্যেষ্ঠ ভোটদাতাই ভোটদান কৰে। মুখ্য নিৰ্বাচনী বিষয়া ৰাজীৱ কুমাৰৰ লগতে নিৰ্বাচনী আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু ডঃ সুখবীৰ সিং সান্ধুৱে সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া সূক্ষ্মভাৱে নিৰীক্ষণ কৰে। হাৰিয়ানা বিধানসভা নিৰ্বাচনৰ বাবে এইবাৰ ৮৫ বছৰ ঊৰ্ধৰ ভোটদাতাৰ লগতে বিশেষভাৱে সক্ষম ভোটদাতাসকলৰ বাবে ঘৰৰ পৰাই নিজৰ ভোটাধিকাৰ সাব্যস্ত কৰাৰ সুবিধা প্ৰদান কৰা হয়।

ooooo

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কাইলৈ নতুন দিল্লীত বাওঁপন্থী উগ্ৰপন্থী প্ৰভাৱিত ৰাজ্যসমূহৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে এখন পৰ্যালোচনা বৈঠকত সভাপতিত্ব কৰিব। এই বৈঠকত অন্ধ্ৰপ্ৰদেশ, বিহাৰ, চত্তিশগড়, ঝাৰখণ্ড, তেলেংগানা, ওড়িশা, মহাৰাষ্ট্ৰ আৰু মধ্যপ্ৰদেশৰ মুখ্যমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিব। গৃহ

পৰিক্ৰমা মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে, বাওঁপন্থী উগ্ৰবাদ প্ৰভাৱিত ৰাজ্যসমূহক উন্নয়নমূলক সহায় আগবঢ়াব বাবে ৫ জন কেন্দ্ৰীয় মন্ত্ৰীয়েও এই বৈঠকত অংশগ্ৰহণ কৰিব। উপ-ৰাষ্ট্ৰীয় নিৰাপত্তা উপদেষ্টা আৰু কেন্দ্ৰ, ৰাজ্য আৰু কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ জ্যেষ্ঠ বিষয়াসকলেও এই আলোচনা অংশগ্ৰহণ কৰিব। গৃহ মন্ত্ৰালয়ে বিবৃতিটোত কৈছে যে, কেন্দ্ৰীয় চৰকাৰে ২০২৬ চনৰ মাৰ্চ মাহৰ ভিতৰত বাওঁপন্থী উগ্ৰবাদ সম্পূৰ্ণৰূপে উফৰাই পেলাবলৈ সাজু হৈছে। বিবৃতিটোত লগতে কোৱা হৈছে যে চৰকাৰে পথ আৰু মোবাইল সংযোগৰ ক্ষেত্ৰত প্ৰেৰণা যোগোৱাকে ধৰি বহু পদক্ষেপ গ্ৰহণ কৰি ক্ষতিগ্ৰস্ত ৰাজ্যসমূহৰ দুৰ্গম অঞ্চলবোৰলৈ উন্নয়নমূলক আঁচনি লৈ গৈছে। ১৪ কিলোমিটাৰতকৈ অধিক দৈৰ্ঘ্যৰ পথ নিৰ্মাণ কৰাৰ লগতে এই অঞ্চলসমূহত প্ৰায় ৬ হাজাৰ মোবাইল টাৱাৰ এতিয়ালৈকে স্থাপন কৰা হৈছে বুলিও বিবৃতিটোত প্ৰকাশ কৰিছে।

০০০০০

বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে বহুপাক্ষিক বিকাশ বেংকসমূহক শক্তিশালী কৰাৰ বাবে জি-২০ ৰাষ্ট্ৰ গোটৰ বিশেষজ্ঞ গোটে দিয়া মুঠ ৩০টা প্ৰস্তাৱৰ ভিতৰত ২৭টাক প্ৰস্তাৱক বিবেচনাৰ কৰাৰ বাবে বিশ্ব বেংকক প্ৰশংসা কৰিছে। নতুন দিল্লীত অধ্যাপক নিক ষ্টাৰ্ণৰ সৈতে হোৱা আলোচনাত শ্ৰীমতী সীতাৰমণে কয় যে, উন্নত দেশসমূহে উন্নয়নশীল দেশসমূহক ধন উপলব্ধ কৰোৱা আৰু প্ৰযুক্তি হস্তান্তৰৰ জৰিয়তে জলবায়ু পৰিৱৰ্তনৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰা উচিত। উল্লেখযোগ্য অধ্যাপক নিক ষ্টাৰ্ণ ভাৰতৰ জি-২০ অধ্যক্ষতাৰ সময়ত বহুপাক্ষিক বিকাশ বেংকসমূহৰ বিকাশৰ বাবে গঠিত বিশেষজ্ঞ গোটৰ অন্যতম সদস্য।

০০০০০

ডুবাইত হ'বলগীয়া মহিলাৰ টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেল ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। আজিৰ খেলখনত জয়লাভ কৰিব পাৰিলে হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে প্ৰতিযোগিতাৰ প্ৰথমটো পইণ্ট লাভ কৰিব। উল্লেখযোগ্য যে প্ৰতিযোগিতাৰ প্ৰথমখন খেলত ভাৰতীয় দলটোৱে নিউজিলেণ্ডৰ হাতত পৰাস্ত হৈছিল। খেলৰ পূৰ্বে হোৱা সংবাদমেলত ভাৰতীয় দলটোৰ সহকাৰী প্ৰশিক্ষক অভিষাৰ ছালভিয়ে কয় যে, ভাৰতে কেনেদৰে পৰাজয়ৰ পৰা বিজয়ৰ দিশত আগবাঢ়িব লাগে সেয়া ভালদৰে জানে। ইপিনে পাকিস্তানে নিজৰ প্ৰথমখন খেলত শ্ৰীলংকাক পৰাস্ত কৰে।

০০০০০

গোৱালিয়ৰত হ'বলগীয়া প্ৰথমখন টি-২০ আন্তঃৰাষ্ট্ৰীয় তিনিদিনীয়া ক্ৰিকেট শৃংখলাত আজি ভাৰতে বাংলাদেশৰ বিৰুদ্ধে খেলিব। খেলখন সন্ধিয়া ৭ বজাত আৰম্ভ হ'ব। এই শৃংখলাৰ খেলুৱৈসকলৰ ভিতৰত অধিনায়ক সূৰ্য কুমাৰ যাদৱ আৰু হাৰ্দিক পাণ্ডিয়া অন্যতম। শুভমন গিল, ঋষভ পণ্ট, য়শস্বী জয়ছোৱাল, মহম্মদ ছিৰাজ আৰু অক্ষৰ পটেলক বিশ্ৰাম দিয়া হৈছে। আনহাতে ৰবি বিষ্ণই, বৰুণ চক্ৰৱৰ্তী, মায়ংক যাদৱক দলত স্থান দিয়া হৈছে।

০০০০০

সমাপ্ত